# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ষুদ্ৰ চহৰৰ উদ্যোগীসকলৰ সুবিধাৰ বাবে উপযোগী স্থান চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰসমূহক আহ্বান জনাইছে।

২। দেশত সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ উপলক্ষে আজি ৰাজ্যসভাত সংবিধান সন্দৰ্ভত দুদিনীয়া বিতৰ্ক অনুষ্ঠিত হ'ব।

**৩। এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত লোকসভাত আজি দুখন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে।

৪। মহাৰাষ্ট্ৰ বিধানসভাৰ শীতকালীন অধিবেশন আজিৰ পৰা আৰম্ভ হ'ব।

*আৰু*

৫। ভাৰতে চলিত বৰ্ষৰ মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ষুদ্ৰ চহৰৰ উদ্যোগীসকলৰ সুবিধাৰ বাবে উপযোগী স্থান চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰসমূহক আহ্বান জনাইছে। দিল্লীত অনুষ্ঠিত মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে ৰাজ্যসমূহক সংশ্লিষ্ট ক্ষেত্ৰত থকা নীতিসমূহ সৰলীকৃত কৰিবলৈ আহ্বান জনায় কয়, যে সৰলীকৰণৰ অভাৱৰ ফলত প্ৰায় নাগৰিকসকল অসুবিধাৰ সন্মুখীন হয়। নাগৰিকসকলৰ অংশীদাৰিত্বক উৎসাহিত কৰিবলৈ তেওঁ অংশগ্ৰহণকাৰী ৰাজ্যসমূহক শাসন আৰ্হিৰ সংস্কাৰ সাধন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে সংস্কাৰ, পৰিৱেশন আৰু ৰূপান্তৰৰ ওপৰত গুৰুত্ব দিয়া উচিত আৰু লগতে চৰকাৰৰ বিভিন্ন পদক্ষেপৰ বিষয় জনসাধাৰণক অৱগত কৰোৱাটো গুৰুত্বপূৰ্ণ। চক্ৰিয় অৰ্থনীতিৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে গোবৰ্ধন কাৰ্যসূচীৰ শলাগ লৈ কয়, যে এই কাৰ্যসূচী এতিয়া এটা বৃহৎ শক্তি সম্পদৰূপে পৰিগণিত হৈছে। এই কাৰ্যসূচীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰিত কৰাৰ লগতে বৃদ্ধ পশুধনক দায়বদ্ধতকৈ সম্পত্তি হিচাপে গঢ়ি তুলিছে। তেওঁ ৰাজ্যসমূহক ই-আৱৰ্জনা পুনৰ ব্যৱহাৰৰ বাবে সম্ভৱপৰ অৰ্থৰ যোগানৰ ধাৰণাটো আৰু অধিক প্ৰসাৰিত কৰাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে, এই তিনিদিনীয়া সন্মিলনখনত যোৱা ১৩ৰ পৰা ১৬ ডিচেম্বৰলৈ দিল্লীত অনুষ্ঠিত হৈছিল। ভাৰতৰ সেৱাখণ্ডৰ সম্ভাৱনীয়তাক বিশেষকৈ সৰু চহৰসমূহত ব্যৱহাৰ কৰিবলৈ বহুমুখী পন্থাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত সন্মিলনত আলোকপাত কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়ক আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তিনিদিনীয়া ভ্ৰমণসূচীৰে চুবুৰীয়া ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকী কালি নতুন দিল্লীত উপস্থিত হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানে শ্ৰীলংকান নেতাগৰাকীক আদৰণি জনায়। শ্ৰীদিছানায়কে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰিব। তেওঁ বিহাৰৰ বুদ্ধগয়াও দৰ্শন কৰিব।

ৰাষ্ট্ৰপতিৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছত দিছানায়কৰ এয়া হৈছে প্ৰথমটো ভাৰত ভ্ৰমণ। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ বহুমুখী আৰু পাৰস্পৰিক লাভজনক সহযোগিতা অধিক বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে নতুন দিল্লীত কালি শ্ৰীলংকান ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীজয়শংকৰে কয়, যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি তথা সাগৰ আউট লুক দুয়োটাৰে শ্ৰীলংকা হৈছে মূল চাবি-কাঠি। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতিগৰাকীৰ মাজত হ'বলগীয়া আলোচনাই দুয়োখন দেশৰ মাজত আস্থা আৰু সহযোগিতা দৃঢ় কৰিব।

ooooo

বিদেশী বিনিয়োগকাৰীয়ে চলিত মাহৰ প্ৰথম দুসপ্তাহত ভাৰতীয় মূলধনী বজাৰত প্ৰায় ২৮ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। তথ্য অনুসৰি বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগকাৰীয়ে ভাৰতৰ ইকুইটি বজাৰত ২২ হাজাৰ ৭৬৬ কোটি টকা আৰু ঋণৰ বজাৰত ৪ হাজাৰ ৮১৪ কোটি টকা বিনিয়োগ কৰিছে। বিদেশী বিনিয়োগকাৰীসকলে যোৱা মাহত ২১ হাজাৰ ৬১২ কোটি আৰু অক্টোবৰ মাহত ৯৪ হাজাৰ ১৭ কোটি টকা ওভতাই লৈছিল। উল্লেখযোগ্য যে, চেপ্তেম্বৰ মাহত ৯ মাহৰ ভিতৰতে সৰ্বাধিক ৫৭ হাজাৰ ৭২৪ কোটি টকাৰ বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগ হৈছিল। চলিত বছৰৰ এই পৰ্যন্ত ভাৰতীয় মূলধনী বজাৰত বিদেশী বিনিয়োগকাৰীয়ে ১ লাখ ২০ হাজাৰ কোটি টকাৰো অধিক বিনিয়োগ কৰিছে।

ooooo

দেশত সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ উপলক্ষে আজি ৰাজ্যসভাত সংবিধান সন্দৰ্ভত দুদিনীয়া বিতৰ্ক অনুষ্ঠিত হ'ব। লোকসভাতো যোৱা শুকুৰ আৰু শনিবাৰে এই একেই বিতৰ্ক অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উচ্চ সদনত এই বিতৰ্কত অংশ লোৱাৰ কথা আছে।

ভাৰতীয় সংবিধানৰ এই বিতৰ্কৰ সময়ত আজি আৰু কাইলৈ ৰাজ্যসভাত উপস্থিত থাকিবলৈ বিজেপিয়ে তেওঁলোকৰ দলৰ সকলো সংসদৰ প্ৰতি হুইপ জাৰি কৰিছে।

সংবিধান সভাই ১৯৪৯ চনৰ ২৬ জানুৱাৰীত গৃহীত ভাৰতীয় সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীত কাৰ্যকৰী কৰা হৈছিল। এই সংবিধানে ভাৰতক এখন সাৰ্বভৌম গণতান্ত্ৰিক গণ্যৰাজ্যৰূপে স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ২০১৫ চনত নৰেন্দ্ৰ মোদী চৰকাৰে ১৯৪৯ চনত ভাৰতীয় সংবিধান গৃহীত হোৱাৰ সন্মান স্বৰূপে ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে ঘোষণা কৰিছিল।

ooooo

**এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত লোকসভাত আজি দুখন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় আইনমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত দেশত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ বাবে সংবিধান সংশোধনী বিধেয়কৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছিল।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ এখন সমিতিয়ে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে।

০০০০০

মহাৰাষ্ট্ৰ বিধানসভাৰ শীতকালীন অধিবেশন আজিৰ পৰা আৰম্ভ হ'ব। শাসনাধিস্থিত মহাযুটী মন্ত্ৰীসভাৰ কালি সম্প্ৰসাৰণ কৰা হয়। মন্ত্ৰীসভাৰ কেইবাগৰাকী সদস্যই কালি শপতগ্ৰহণ কৰে। বিজেপিৰ ১৬ গৰাকী, শিৱসেনাৰ ৯ গৰাকী আৰু এন চি পিৰ ৮ গৰাকী সদস্যই কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। উল্লেখযোগ্য নেতাসকলৰ ভিতৰত মহাৰাষ্ট্ৰ বিজেপিৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱনকুলে কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। তেওঁৰ লগতে দলৰ নেতা ৰাধাকৃষ্ণ ভিখে পাটিল, চন্দ্ৰকান্ত পাটিল আৰু গিৰিশ মহাজনে কেবিনেট মন্ত্ৰী হিচাপে শপত লয়। এন চি পিৰ নেতা হাচান মছৰিফ আৰু শিৱসেনাৰ নেতা গোলাপ ৰাও পাটিলেও কেবিনেট মন্ত্ৰী হিচাপে শপত লয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবীজ আৰু উপ মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰো উপস্থিত থাকে। নাগপুৰত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে কয়, যে এই অধিৱেশনত মুঠ ২০ খন বিধেয়ক উত্থাপন কৰা হ'ব। উল্লেখযোগ্য যে, পাৰভানি আৰু বিদত সংঘটিত হিংসাত্মক ঘটনা আৰু ঠিকাভিত্তিক নিয়োগ আদি বিষয় সন্দৰ্ভত কালি মহাবিকাশ অঘাড়ী নেতৃত্বাধীন বিৰোধী দলসমূহে প্ৰতিবাদ কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **গ্ৰাহকৰ সজাগতা- অধিকাৰ আৰু দায়িত্ব** এই সন্দৰ্ভত গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব নিধি খাড়েৰ সৈতে হোৱা এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্ব সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেচটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৰ চেনেল যোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতে চলিত বৰ্ষৰ মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। ওমানৰ মাস্কাটত যোৱানিশা অনুষ্ঠিত ফাইনেল খেলত ভাৰতে চীনক ৩-২ পেনাল্টি শ্বুট আউটত পৰাস্ত কৰে। ভাৰতীয় গ'লৰক্ষক নিধিয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰে। আনহাতে সাক্ষী ৰানা, ঈছিকা আৰু সুনেলিতা তপ্পোয়ে ভাৰতৰ হৈ এটাকৈ গ'ল দিয়ে। চীনৰ হৈ জিন জোৱাং টেনে প্ৰথমটো গ'ল দিয়ে। হকী ইণ্ডিয়াই দলৰ প্ৰতিগৰাকী খেলুৱৈৰ বাবে ২ লাখকৈ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। ভাৰতৰ দিপিকা শ্বেৰাৱটে প্ৰতিযোগিতাত সৰ্বাধিক ১২টা গ'ল দিয়ে।

০০০০০

মুম্বাইয়ে ছৈয়দ মুস্তাক আলি ঘৰুৱা ক্ৰিকেট প্ৰতিযোগিতাত চূড়ান্ত বিজয়ৰ খিতাপ দখল কৰিছে। বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত ফাইনেল খেলত মুম্বাইয়ে, মধ্যপ্ৰদেশক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

**সমাপ্ত**